অধ্যায় ৩ ঃ ছপা মাধ্যমৰ ইতিহাস

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য
3.2 পৰিচয়
3.3 ভাৰতত ছপা মাধ্যমৰ ক্রমবিকাশ
3.4 প্রথম পর্যায়-1780–1900
3.5 দ্বিতীয় পর্যায়-1901–1947
3.6 তৃতীয় পর্যায়-1948–2008
3.7 অসমৰ ক্ষেত্রত বিশেষ পর্যায়-1846 চনৰ পৰা আগলৈ
3.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
3.9 অধিক জানিবলৈ
3.10 অগ্রগতিৰ খতিয়ান
3.11 সম্ভাব্য প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দেশত ছপা মাধ্যমৰ উৎপত্তি, বিকাশ আৰু উত্তৰণৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বর্তমান কাললৈকে হোৱা এই বিকাশৰ বিভিন্ন পর্যায় বর্ণনা কৰিব পাৰিব
- কেবা শতিকা জুৰি হোৱা এই বিকাশ সম্ভৱপৰ কৰি তোলা ব্যক্তিসকলৰ সম্পর্কে বিস্তৃতভাৱে জানিব পাৰিব
- স্বাধীনতা সংগ্রামৰ কালছোৱাত জাতীয় চেতনা জাগ্রত কৰাত ছপা মাধ্যমৰ অৰিহণাৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- অসমত ছপা মাধ্যমৰ ক্রমবিকাশৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব

৩.২ পৰিচয়

বর্তমান ছপা মাধ্যমকে ধৰি ভাৰতৰ গণ মাধ্যম উদ্যোগে এটা অতি সন্তোষজনক স্থিতি লাভ কৰিছে। অত্যাচাৰী বৃটিছ শাসকে সকলো প্রকাৰে সংবাদ-পত্রৰ বিকাশ ৰোধ কৰাৰ বাবে আৰোপ কৰা কঠোৰ বাধা-নিষেধ আদিৰ বিৰুদ্ধে বহু দশক জোৰা সংগ্রামৰ পাছত ছপা মাধ্যমে

আজিৰ এই উৎসাহজনক স্থিতিত উপনীত হৈছে। এনেবোৰ কঠিন প্ৰত্যাহ্বান স্বত্বেও ভাৰতীয় মাধ্যমৰ আগৰণুৱাসকলে বৰ্তমানৰ অৱস্থালৈ ভাৰতৰ মাধ্যমৰ বিকাশ হোৱাটো সম্ভৱপৰ কৰি তোলাৰ বাবে দৃঢ়তাৰে সকলো অন্তৰায়ৰ সন্মুখীন হৈছে আৰু যথোচিতৰূপে তিষ্ঠি আছে।

অতি কম সময়ৰ ব্যৱধানত বহু সংখ্যক লোকৰ সৈতে সংযোগ কৰাৰ বাবে সংবাদ মাধ্যম হ'ল অতি কাৰ্যকৰী মঞ্চ। সেইবাবে প্ৰাক্-স্বাধীনোত্তৰ কালছোৱাত দেশৰ মাধ্যমে ভাৰতৰ চুকে-কোণে জনসাধাৰণৰ মাজত দেশপ্ৰেম আৰু সংগ্ৰামৰ মনোভাৱ সৃষ্টি কৰাত প্ৰভূত অৰিহণা যোগাইছে। এই বিষয়ে ভালদৰে উপলব্ধি কৰাৰ বাবে বৰ্তমানৰ অৱস্থাত উপনীত হোৱাৰ সংগ্ৰামত মাধ্যমে অতীতত আগবঢ়োৱা অৱদানৰ বিষয়ে অধ্যয়ন কৰাটো উচিত হ'ব। এই অধ্যায়টিত আমি এই দিশটোত গভীৰভাৱে চকু ফুৰাই চাওচোন।

৩.৩ ভাৰতত ছপা মাধ্যমৰ ক্ৰমবিকাশ

ভাৰতৰ গণ মাধ্যম উদ্যোগৰ অথবা যথাৰ্থত ক'বলৈ হ'লে সংবাদ-পত্ৰৰ 200 বছৰতকৈও অধিক কালজোৰা সমৃদ্ধ ইতিহাস আছে। 1780 চনৰ জানুৱাৰী মাহতে হেমচ আগষ্টাচ হিকি নামৰ ইংৰাজ লোক এজনে Hicky's Bengal Gazette or the Calcutta General Advertiser নামৰ প্ৰথমখন বাতৰি কাকতৰ প্ৰকাশ কৰোতেই এই উদ্যোগৰ বীজ ৰোপণ কৰা হৈছিল। কোনো প্ৰকাৰৰ ধুম-ধাম নোহোৱাকৈ দেশৰ বাবে এই মহত্বপূৰ্ণ ঘটনাটো ঘটিছিল। হিকিৰ মনঃপূত নোহোৱা ইষ্ট ইণ্ডিয়া কোম্পানীৰ নীতি আৰু কাৰ্য্য-কলাপৰ বিৰুদ্ধে এক প্ৰকাৰ প্ৰতিবাদ আৰু সেইবোৰৰ সমালোচনাৰ বাবেহে এই সংবাদপত্ৰখন আৰম্ভ কৰা হৈছিল। যিয়েই নহওক, পৰৱৰ্তী দশক আৰু শতিকা কেইটাত দেশৰ গণ মাধ্যমৰ গৌৰৱোজ্জ্বল যুগৰ ইয়েই আছিল ক্ষুদ্ৰ পাতনি। এই কাকতখন দেৰ বছৰকাল চলাৰ পাছতেই বন্ধ কৰিবলগীয়া হয়।

আমি বুজাৰ সুবিধাৰ্থে সংবাদপত্ৰৰ ইতিহাসৰ এই সুদীৰ্ঘ সময়ছোৱাক চাৰিটা পৰ্যায়ত বিভক্ত কৰিছোঁ।

প্ৰথম পৰ্যায়- 1780 – 1900

দ্বিতীয় পৰ্যায়- 1901 – 1947

তৃতীয় পৰ্যায়- 1948 – 2008

অসমৰ ক্ষেত্ৰত বিশেষ পৰ্যায় - 1846 ৰ পৰা আগলৈ

200 বছৰতকৈও অধিক কালজোৰা ইতিহাসক এই চাৰিটা পৰ্যায়ত বিভক্ত কৰি আপোনাক ভাৰতৰ সংবাদ মাধ্যম উদ্যোগৰ ইতিহাসৰ বিস্তৃত ধাৰণা দিয়াটো এটা অতি দুৰূহ কাম। তথাপিতো, স্থান আৰু সময়ৰ অভাৱ আৰু অন্যান্য অসুবিধা স্বত্বেও আমি আপোনাক তেনে এটা আভাস দিয়াৰ প্ৰয়াস কৰিম।

ইউৰোপীয় মূলৰ আৰু শিক্ষিত আধুনিক ভাৰতীয় লোকসকলৰ বিনোদনৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতত ইংৰাজী ভাষাৰ বাতৰি কাকতসমূহ প্ৰকাশ কৰা হৈছিল। বিদেশী শাসনৰ

বিৰুদ্ধে দেশপ্ৰেম আৰু জাতীয় চেতনা জগাই তোলাটো পৰৱৰ্তী সময়ছোৱাৰহে এটা প্ৰয়োজন হৈ পৰে।

আনহাতে, এইটোও মন কৰিবলগীয়া কথা যে, ধৰ্মীয় শিকণি আৰু চিন্তাধাৰাৰ সৈতে জনসাধাৰণক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যেৰেহে ভাৰতীয় ভাষাৰ সাংবাদিকতাৰ আৰম্ভণি হৈছিল। তথাপিতো, দেশত থলুৱা ভাষাৰ গণ-মাধ্যমৰ বিকাশৰ ক্ষেত্ৰত ই এটা লেখত ল'বলগীয়া কাৰণ আছিল।

৩.৪ প্ৰথম পৰ্যায় ১৭৮০ - ১৯০০

আগৰ দিনত ভাৰতৰ সামাজিক-ৰাজনৈতিক পৰিস্থিতি কিছু জটিল আছিল। আমি জানো যে আমাৰ দেশখনৰ সকলো ঠাইতে বিভিন্ন জাতি, গোষ্ঠী আৰু জনজাতীয় সম্প্ৰদায়, ভাষা, দোৱান আদি আছে। তেতিয়াৰ দিনবোৰত বাস্তৱেই হওক বা অন্য যিকোনো প্ৰকাৰৰেই হওক, সংযোগ ব্যৱস্থা একেবাৰে বুনিয়াদী পৰ্যায়ত আছিল আৰু দেশৰ বিভিন্ন ঠাইত বাস কৰা লোকসকলৰ মাজত কোনো সংমিশ্ৰণ হোৱা নাছিল বুলিয়েই ক'ব পাৰি। গতিকে তেওঁলোকৰ মাজত প্ৰকৃতাৰ্থত কোনো সংযোগ নহৈছিল।

পাছলৈ পৰিবহন আৰু যোগাযোগ ব্যৱস্থা উন্নত হোৱাত, দেশৰ বিভিন্ন অঞ্চলত মহাবিদ্যালয়, বিশ্ববিদ্যালয়, বিদ্যালয় আদিৰ স্থাপন কৰা হয়। এই শিক্ষানুষ্ঠানসমূহে সেইবোৰ ঠাইত মৌলিক তথা উচ্চ শিক্ষা লাভ কৰা লোকৰ সংখ্যা বৃদ্ধি হোৱাত সহায় কৰিলে। ফলস্বৰূপে, আনুপাতিকভাৱে সমগ্ৰ দেশতে বাতৰি কাকত পঢ়িবলৈ লোৱা এটা নতুন শ্ৰেণীৰ লোকৰ সংখ্যাও বৃদ্ধি পালে। এইদৰেই কেবাটাও ভাৰতীয় ভাষাত এলানি সংবাদপত্ৰৰ জন্ম হ'ল আৰু সেইবোৰে জনসাধাৰণক সেৱা আগবঢ়াবলৈ ল'লে।

তাৎপৰ্যপূৰ্ণভাৱে, ভাৰতত গণ মাধ্যমে অৰ্থাৎ সংবাদ পত্ৰসমূহে বৃটিছ শাসনৰ বিৰুদ্ধে থিয় দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰি, আমাৰ মাজত থকা অন্ধবিশ্বাস আৰু ভ্ৰষ্টাচাৰ আদিৰ সংস্কাৰ সাধন কৰি আৰু লগতে, উন্নত পশ্চিমীয়া দেশসমূহৰ নতুন, আধুনিক আৰু সময়োচিত ৰীতি-নীতিক আঁকোৱালি লোৱাত উদ্‌গনি দি দেশৰ স্বাধীনতা সংগ্ৰামত যথেষ্ট অৰিহণা যোগাইছিল।

এই বাতৰি কাকতসমূহে সকলো প্ৰভেদ, ভৌগোলিক দূৰত্ব, শিক্ষাৰ অভাৱ, পৰিবহন আৰু যোগাযোগৰ অৱস্থা নিৰ্বিশেষে, দেশৰ সকলো ধৰ্ম, ভাষা, দোৱান, জাতি, পন্থানুগামী জনসাধাৰণৰ বাবে এখন উমৈহতীয়া মঞ্চ আগবঢ়োৱাৰ ক্ষেত্ৰত সক্ৰিয় আৰু মুখ্য ভূমিকা পালন কৰিলে।

এই যুগৰ বাতৰি কাকতসমূহৰ ভিতৰত এতিয়ালৈ বৰ্তি থকা কেইখনমান হ'ল চেন্নাইৰ পৰা প্ৰকাশিত "দ্যা হিন্দু" [1878] আৰু কলকাতাৰ অমৃত বাজাৰ পত্ৰিকা (1868]।

আধুনিক পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰৰ লগে লগে ইলেণ্ড আৰু ইউৰোপত শিক্ষা লাভ কৰা লোকসকলে উপলব্ধি কৰিবলৈ ধৰিলে যে ভাৰতীয় সমাজৰ ব্যাধিসমূহৰ সংস্কাৰ সাধন আৰু আধুনিক যুগৰ জীৱনাদৰ্শৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰি তোলাৰ বাবে তেওঁলোকে নিজৰ ফালৰ পৰা কিবা এটা কৰা উচিত। এই উপলব্ধিৰ ফলতেই ব্ৰাহ্ম সমাজ, প্ৰাৰ্থনা সমাজ, আৰ্য সমাজ, ৰামকৃষ্ণ মিছন আদিৰ দৰে অনুষ্ঠানসমূহে জন্ম লাভ কৰিলে আৰু সেইবোৰে সমাজ সংস্কাৰৰ উদ্দেশ্যে বিভিন্ন জন হিতকৰ কাম কৰিবলৈ আৰম্ভ কৰিলে।

তেতিয়াৰ সেই দিনতেই এই অনুষ্ঠানসমূহৰ প্ৰতিষ্ঠাতাসকলে মাধ্যমৰ শক্তিৰ বিষয়ে উপলব্ধি কৰিছিল। সেইবোৰৰ প্ৰায় সৰহভাগেই জনসাধাৰণৰ মাজত তেওঁলোকৰ আদৰ্শ আৰু নীতিৰ প্ৰচাৰৰ উদ্দেশ্যে পত্ৰিকা আদি প্ৰকাশ কৰিবলৈ ল'লে আৰু এনে প্ৰচেষ্টাতেই সুফল লাভ কৰাত কৃতকাৰ্য হোৱা দেখা গ'ল।



অগ্ৰগতি নিৰীক্ষণ ক

1। ভাৰতৰ প্ৰথমখন বাতৰি-কাকতৰ নাম কি? সেইখন কেতিয়া প্ৰকাশ কৰা হৈছিল?

.....

.....

2। ভাৰতৰ প্ৰথমখন বাতৰিকাকত কাক লক্ষ্য কৰি প্ৰকাশ কৰা হৈছিল?

.....

3। ভাৰতীয়ৰ দ্বাৰা প্ৰকাশিত প্ৰথমখন ইংৰাজী বাতৰি কাকত কি আছিল আৰু সেইখন কোনে প্ৰকাশ কৰিছিল?

.....

4। প্ৰথম অৱস্থাৰ ভাৰতীয় ভাষাৰ কাকতসমূহে কেনে ধৰণৰ সংযোগ স্থাপন কৰিছিল?

.....

5। মিৰাট-উল্-আকবৰ কোনে প্ৰকাশ কৰিছিল?

.....

6। কেইগৰাকীমান সংস্কাৰ-বিৰোধী হিন্দু মৌলবাদীয়ে প্ৰকাশ কৰা বাতৰি কাকতৰ নাম হ'ল .....

7। চিপাহী বিদ্ৰোহৰ পাছত ..... আৰু ..... 1861 চনত ৰবার্ট নাইটৰ টাইমচ্ অফ্ ইণ্ডিয়াৰ সৈতে একত্ৰিত হৈ পৰে।

8। ঊনবিংশ শতিকাৰ ভাৰতৰ এনে তিনিগৰাকী জাতীয়তাবাদীৰ নাম উল্লেখ কৰক যিকেইগৰাকী সক্ৰিয় সংবাদকর্মীও আছিল।

.....

৩.৫ দ্বিতীয় পর্যায় ১৯০১-১৯৪৭

এই পর্যায়টোত গান্ধীজীক এজন সফল সাংবাদিকৰ ভূমিকাত অৱতীর্ণ হোৱা দেখা গ'ল। দক্ষিণ আফ্রিকাত প্রথম সংগ্রাম আৰম্ভ হোৱা দেখা গ'ল। দক্ষিণ আফ্রিকাত প্রথম সংগ্রাম আৰম্ভ কৰাৰে পৰা গান্ধীজীয়ে সাংবাদিক হিচাপে জনসাধাৰণৰ মাজত তেওঁৰ আদর্শ আৰু নীতিৰ প্রচাৰ আৰু সেইবোৰ জনপ্রিয় কৰিবলৈ সক্ষম হ'ল। 1903 চনত "Indian Opinion" নামৰ বাতৰি কাকতখন প্রকাশ কৰি গান্ধীজীয়ে দেশত সাংবাদিকৰ ভূমিকা গ্রহণ কৰে। সংস্কাৰ আন্দোলনৰ অনুষ্ঠানসমূহৰ প্রতিষ্ঠাতাসকলৰ দৰে গান্ধীজীয়েও মাধ্যমৰ ক্ষমতাৰ কথা ভালদৰে উপলব্ধি কৰিছিল। সেয়েহে, উকীল হিচাপে জীৱিকা অর্জন আৰু বিদেশী শাসনৰ বিৰুদ্ধে জনসাধাৰণক নেতৃত্ব দিয়াৰ বাবে ভাৰতলৈ উভতি অহাৰ পাছত তেওঁ 1919-20 চনৰ ভিতৰত 'সত্যাগ্রহী' (হিন্দী আৰু গুজৰাটী) 'নৱজীৱন' (গুজৰাটী) আৰু young India (ইংৰাজী) নামৰ তিনিখন বাতৰি কাকত আৰম্ভ কৰে। ইয়াৰ পাছত প্রায় দুটা দশকৰ ব্যৱধানৰ মূৰত তেওঁ 'হৰিজন' নামেৰে আন এখন সংবাদপত্র প্রকাশ কৰে। সেই সময়ৰ সময়ছোৱাত ইতিমধ্যে সু-প্রতিষ্ঠিত 'The Hindu', The Times of India, The Statement আদিৰ উপৰি আন কেইখনমান প্রধান সংবাদপত্র হ'ল— National Herald (লক্ষ্ণৌ), Mail(চেন্নাই), Hitavad(নাগপুৰ) আদি। 1940ৰ দশকৰ শেষৰ ফালে যেতিয়া দেশৰ স্বাধীনতা জনসাধাৰণৰ দৃষ্টিগোচৰ হ'বলৈ ধৰিলে, সেই সময়তে ছপা মাধ্যম উদ্যোগে অদূৰ ভৰিষ্যতে এটা ডাঙৰ পদক্ষেপ লোৱাৰ পথত আগবাঢ়িল।

এই সময়ৰে আন কেইখনমান উল্লেখযোগ্য কাকত হ'ল - সুৰেন্দ্রনাথ বেনার্জীৰ ইংৰাজী দৈনিক কাকত 'বাংগালী', 1906 চনত প্রকাশিত বৰেন্দ্র কুমাৰ ঘোষৰ বঙালী দৈনিক কাকত 'যুগান্তৰ', মদন মোহন মালব্যৰ 'লীডাৰ' (1909), ফিৰোজ শ্বাহ মেহতাৰ 'বম্বে ক্রনিকেল্' (1913), পণ্ডিত মতিলাল নেহৰু সম্পাদিত 'দ্যা ইণ্ডিপেণ্ডেণ্ট' (1919), জৱাহৰলাল নেহৰুৰ 'নেশ্বনেল হেৰাল্ড' (1938), সুভাষ চন্দ্র বসুৰ দ্বাৰা সম্পাদিত 'লিবার্টি' (1929), ইত্যাদি।

1920ৰ পৰা 1947ৰ সময়ছোক ভাৰতীয় মিছন সাংবাদিকতা(Indian Mission Journalism)ৰ সোণালী যুগ বুলিব পাৰি। যেতিয়া 1940 দশকত দেশৰ স্বাধীনতা আন্দোলন ভৰপক স্তৰত আছিল, তেতিয়া ছপা মাধ্যমেও বিশেষভাৱে উন্নতি সাধন কৰিছিল। ভাৰতত অসহযোগ আন্দোলনৰ সূচনা হোৱাৰ লগে লগে ছপা মাধ্যমে সত্যাগ্রহীসকলক পূর্ণ সমর্থন আগবঢ়াইছিল। 1930 চনত মহাত্মা গান্ধীয়ে লোণ সত্যাগ্রহ ঘোষণা কৰাৰ পাছত জাতীয়তাবাদী সংবাদ মাধ্যমে কেনে ধৰণৰ ভূমিকা পালন কৰিছিল সেয়া বিশ্ব ইতিহাসত বিৰল। দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভাৰতীয় সংবাদ মাধ্যমৰ ওপৰত যথেষ্ট নিষেধাজ্ঞা আৰোপ কৰা হয়। কিন্তু ভাৰতীয় সংবাদ মাধ্যমে এই ক্ষেত্রত এক সক্রিয় বিৰোধ কৰিছিল। 1940 চনত চৰকাৰে সংবাদ মাধ্যমক শীর্ষ সংবাদসমূহ তথ্য বিভাগৰ সচিবৰ পূর্ব অনুমতিৰ বাবে প্রেৰণ

কৰিবলৈ নির্দেশ দিছিল। কিন্তু জৱাহৰলাল নেহৰুৱে শীর্ষ বাতৰি অবিহনেই "নেশ্যনেল হেৰাল্ড" প্রকাশ কৰি উলিয়াইছিল। 1942 চনৰ 'ভাৰত ত্যাগ' আন্দোলনে এই বিদ্রোহ তীব্রতৰ কৰি তুলিলে। 1942 চনত বহুতো সংবাদ প্রতিষ্ঠান, প্রকাশন গোষ্ঠী বন্ধ কৰা হয় আৰু জৱাহৰলাল নেহৰুকে ধৰি অন্যান্য সংবাদকর্মীক কাৰাবন্দী কৰা হয়। 1947 চনত স্বাধীন ভাৰতৰ ঘোষণা নোহোৱালৈকে এই অৱস্থা বিৰাজ কৰিছিল।



অগ্রগতি নিৰীক্ষণ খ

1। মহাত্মা গান্ধীয়ে প্রকাশ কৰা প্রথমখন সংবাদ পত্র কি আছিল? তেওঁ কোনখন দেশত এই সংবাদ পত্রখন প্রকাশ কৰিছিল?

.....

.....

2। মহাত্মা গান্ধীয়ে ভাৰতত প্রকাশ কৰা কেইখনমান সংবাদ পত্রৰ নাম লিখক।

.....

3। 'নিউ ইণ্ডিয়া' আৰু 'বন্দে মাতৰম' কোনে সম্পাদনা কৰিছিল?

.....

4। 1620ৰ পৰা 1947 চনক .....সোণালী যুগ বুলি ক'ব পাৰি।

5। সুভাস চন্দ্র বসুৱে ..... সম্পাদনা কৰিছিল।

৩.৬ তৃতীয় পর্যায় - ১৯৪৮-২০০৮

আজিকালি দৈনিক আৰু অন্যান্য বাতৰি কাকতৰ আটাইবোৰ সংস্কৰণৰ প্রচলনৰ সংখ্যা কেবা লাখ বা বহু লাখ কপি হোৱা বুলি প্রায়েই শুনিবলৈ পোৱা যায়। আমি ইতিহাসৰ মাজলৈ উভতি চালে আৰু 1940 আৰু 1950ৰ দশকৰ আগভাগৰ পৰিস্থিতিৰ কথা ভাবিলে দেখিম যে সেই সময়ত যিকোনো এখন বাতৰি কাকতৰ প্রচলনৰ সংখ্যা কেইহাজাৰমান কপি হোৱাটো এটা ডাঙৰ সাফল্য ৰূপে পৰিগণিত হৈছিল। পৰিবহন আৰু যোগাযোগৰ উন্নত ব্যৱস্থা আৰু আন্তঃগাঁঠনিৰ অভাৱ, বাতৰি কাকত পঢ়া লোকৰ সংখ্যা সীমিত হোৱা আদি পুৰণি সমস্যাবোৰেই এনে হোৱাৰ কাৰণ আছিল।

এনে অৱস্থাৰ মাজতে দেশৰ প্রথমটো প্রেচ আয়োগে ইয়াৰ প্রতিবেদনত স্পষ্টভাৱে কৈছিল যে দেশত সেই সময়ত 300 খন দৈনিক বাতৰি কাকত প্রকাশ হৈছিল আৰু সেইবোৰৰ একেলগে সর্বমুঠ প্রচলন সংখ্যা হৈছিল 25 লাখ কপি। তাৰ পৰবর্তী বছৰবোৰত দেশত সংবাদপত্রই সুস্থিৰ

আৰু সুস্থভাৱে বিকাশ লাভ কৰিবলৈ ধৰে। বৰ্তমানেও এই বিকাশৰ গতি অব্যাহত থকা যেন দেখা গৈছে।

পাছৰ বছৰবোৰত সংবাদ পত্ৰৰ এই অৱস্থাৰ আৰু অধিক উন্নতি হৈছে আৰু দেশত আজি সকলো প্ৰকাৰৰ 60,000তÃকৈও অধিক বাতৰি কাকত আৰু পত্ৰিকা আদি চলি আছে আৰু কেবা কোটি কপি বিক্ৰী হোৱালৈ চালে সেইবোৰৰ সামগ্ৰিক প্ৰচলন সংখ্যাটো আশ্চৰ্যজনক যেন লাগে।

সংবাদ পত্ৰৰ এনে শ্ৰীবৃদ্ধিৰ এটা উল্লেখযোগ্য আৰু মন কৰিবলগীয়া দিশ আছে সেইটো হ'ল এয়ে যে ইংৰাজী ভাষাৰ বাতৰি কাকতবোৰৰ প্ৰচলন সংখ্যা বেছি বুলি সাধাৰণতে ভবাৰ বিপৰীত হৈ হোৱাটোহে দেখা গৈছে। দৰাচলতে প্ৰচলনৰ সংখ্যাৰ ক্ষেত্ৰত ইংৰাজী ভাষাৰ সংবাদ পত্ৰতকৈ বিভিন্ন ভাৰতীয় ভাষাৰ সংবাদ পত্ৰ আৰু পত্ৰিকাইহে প্ৰাধান্য লাভ কৰিছে। শেহতীয়া ৰাষ্ট্ৰীয় পাঠক সমীপত এইটো নিশ্চিত কৰা হৈছে যে হিন্দী ভাষাৰ বাতৰি কাকত আৰু পত্ৰিকাসমূহে সংবাদ পত্ৰৰ সৰ্বমুঠ প্ৰচলন সংখ্যাৰ প্ৰায় 40 শতাংশ দখল কৰি শীৰ্ষস্থান লাভ কৰিছে। ইয়াৰ পাছতেই কেবা নিযুত কপি প্ৰচলনেৰে আন ভাৰতীয় ভাষা (প্ৰধানকৈ মালায়ালম, গুজৰাটী, বঙালী, কানাড়া আদি) আৰু 1 লাখৰ পৰা 5 লাখ কপি প্ৰচলন সংখ্যাৰ সংবাদ পত্ৰসমূহে স্থান পাইছে।

আমাৰ দেশৰ ছপা মাধ্যম উদ্যোগৰ আন এটা অতি মনোগ্ৰাহী দিশ আছে। সেইটো হ'ল, আমি আটায়ে জানো যে, আমাৰ দেশত বহুতো ভাষা আৰু দোৱানৰ ভিতৰত ভাৰতীয় সংবিধানত স্বীকৃত আৰু অন্যান্য ভাষা আৰু ইংৰাজীতকে ধৰি দেশৰ প্ৰায় 100 টা ভাষাত সংবাদ পত্ৰ প্ৰকাশ হয়।

এনে হোৱাৰ ফলত সংবাদ পত্ৰ আৰু পত্ৰিকাৰ বাচনি কৰাৰ ক্ষেত্ৰত বহুতো সুবিধা হৈছে আৰু আমাৰ ক্ষেত্ৰত বহুতো সুবিধা হৈছে আৰু আমাৰ সমুখত বহুতো বিকল্প আৰু বিবিধতা আহি পৰিছে। ইয়াৰ লগতে দেশৰ সুদূৰ অঞ্চলতো আজি মানুহে সংবাদ পত্ৰ লাভ কৰাটো সম্ভৱপৰ হৈ উঠিছে।

আমি জানো যে, 1980 ৰ দশকত, দেশৰ বিভিন্ন ঠাইৰ পৰা প্ৰকাশিত 10 টা সংস্কৰণেৰে The Indian Express কাকতখনে স্বচ্ছন্দজনকভাৱে সমগ্ৰ ভাৰততে ইয়াৰ প্ৰতিপত্তি সাব্যস্ত কৰিছিল আৰু আনহাতে The Times of India, The Hindu, The Hindustan Times কাকতকেইখনৰ সংস্কৰণৰ সংখ্যা কম আছিল। কিন্তু 1990ৰ দশকত সংস্কৰণ ব্যৱস্থাত অভূতপূৰ্ব পৰিৱৰ্তন আহিল, আৰু প্ৰায় আটাইবোৰ সন্মানীয় আৰু সুপ্ৰতিষ্ঠিত বাতৰি কাকতে বিভিন্ন ঠাইৰ পৰা ভালেমান সংস্কৰণ প্ৰকাশ কৰিবলৈ ল'লে। দেশৰ দূৰৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ প্ৰয়োজন পূৰণাৰ্থে আৰু নিজৰ অস্তিত্ব দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে সেইটো কৰা হ'ল।

এই ক্ষেত্ৰত ৰাজ্যিক নাইবা আঞ্চলিক পৰ্যায়ৰ বাতৰি কাকতসমূহ পিছ পৰি নাথাকিল। উদাহৰণস্বৰূপে, সমগ্ৰ দেশতে প্ৰচলিত "দৈনিক ভাস্কৰ" নামৰ লেখত ল'বলগীয়া বাতৰিকাকতখনে কিছু বছৰ আগতে সংস্কৰণ প্ৰকাশৰ কামত উঠি পৰি লাগিছে। বৰ্তমানে,

দেশৰ হিন্দীভাষী ৰাজ্যসমূহৰ বিভিন্ন ঠাইৰ পৰা এই বাতৰি কাকতখনে ইয়াৰ সংস্কৰণ প্ৰকাশ কৰে। আনকি, অসমৰ দৰে ৰাজ্যখনতো স্থানীয় ভাষাৰ বাতৰি কাকতসমূহে অধিক সংখ্যক পাঠকক আকৰ্ষণ কৰাৰ উদ্দেশ্যে বিভিন্ন ঠাইৰ পৰা তিনি-চাৰিটা সংস্কৰণ প্ৰকাশ কৰিবলৈ লৈছে আৰু আনবোৰৰ সৈতে প্ৰতিযোগিতাত নামি পৰিছে।

পূৰ্বতে যিকোনো সময়তে হোৱাতকৈ, সংবাদ পত্ৰৰ সংখ্যা অভূতপূৰ্ব হাৰত বৃদ্ধি হোৱা হেতুকে কোনো এখন সংবাদপত্ৰ অন্যতকৈ আগতে নহ'লেও প্ৰায় একে সময়তে পাঠকে দ্ৰুতভাৱে লাভ কৰাটো প্ৰয়োজনীয় হৈছে।

বৰ্তমানে আমাৰ দেশৰ প্ৰায় সকলো ঠাইতে বিদ্যমান ভালেমান বাতৰিকাকত আছে। সেইবোৰৰ ভিতৰত কেইখনমান হ'ল - দ্যা টাইমচ্ অৱ ইণ্ডিয়া, দ্যা ইণ্ডিয়ান এক্সপ্ৰেচ, দ্যা হিন্দু, দ্যা হিন্দুস্তান টাইমচ্, দ্যা টেলিগ্ৰাফ। প্ৰায় সকলো ঠাইতে এই বতৰি কাকতকেইখন পোৱা যায় আৰু মাধ্যম উদ্যোগত এইবোৰ বৰ্তমানে লেখত ল'বলগীয়া নাম হৈ পৰিছে। আনহাতে, স্থানীয় আৰু আঞ্চলিক স্থিতি থকা আন ভালেমান বাতৰি কাকতে দেখিবলৈ পোৱা যায়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল -মালায়ালম মনোৰমা, মাত্ৰুভূমি (Mathrubhumi), দৈনিক ভাস্কৰ, বোম্বে সমাচাৰ, ৰাজস্থান পত্ৰিকা, সকাল, পঞ্জাৱ কেশৰী, দ্যা ট্ৰিবিউন (চণ্ডীগড়), দ্যা আচাম ট্ৰিবিউন, আজকল (কলকাতা), দ্যা ষ্টেটম্যান আদি।

ইয়াৰ লগতে আমি সাময়িক পত্ৰিকা বা আলোচনীসমূহৰ কথা উল্লেখ নকৰিলে আমাৰ এই আলোচনা অসম্পূৰ্ণ হৈ থাকিব। 1980ৰ দশকত এই আলোচনীসমূহ অতি জনপ্ৰিয় আছিল আৰু দ্যা ইলাষ্ট্ৰেটেদ উইকলি অৱ ইণ্ডিয়া, চান দে, ইণ্ডিয়া টুদে, দ্যা ফ্ৰণ্টলাইন আদি আলোচনী প্ৰায় সমগ্ৰ দেশতে পোৱা গৈছিল।

1990ৰ দশক, এটা নতুন শ্ৰেণীৰ আধুনিক আৰু সুৰুচিপূৰ্ণ আলোচনী পাঠকৰ বাবে আগবঢ়োৱা হ'ল। সেইবোৰ হ'ল যেনে - আউটলুক, উইক, হিন্দী আৰু আন কেইটামান ভাৰতীয় ভাষাত প্ৰকাশিত ইণ্ডিয়া টুদে নামৰ আলোচনী দুখন পযেকীয়া হিচাপে প্ৰকাশ কৰা হৈছিল যদিও, উইক নামৰ আলোচনীখনে সাপ্তাহিক হিচাপে প্ৰকাশ আৰম্ভ কৰাত, প্ৰতিযোগিতাত নমাৰ বাবে বাকী দুখন আলোচনীয়েও সেইবোৰৰ প্ৰকাশৰ পদ্ধতি সলনি কৰি কম সময়ৰ ভিতৰতে সাপ্তাহিক হিচাপে প্ৰকাশ কৰিবলৈ ল'লে।

আনহাতে, মুদ্ৰন উদ্যোগত হোৱা বৈপ্লৱিক পৰিৱৰ্তনেও ছপা মাধ্যমৰ উত্তৰণত যথেষ্ট অৰিহণা যোগালে। এতিয়া, আগতে ভাবিব নোৱাৰা ধৰণে অতি কম সময়ৰ ভিতৰতে কোনো এখন বাতৰি কাকতৰ হাজাৰ নাইবা লাখ লাখ কপি মুদ্ৰন কৰাটো সহজ কাম হৈ পৰিছে। এনে পৰিৱৰ্তনৰ ফলতেই এতিয়া অতি কম সময়তে উচ্চ মানসম্পন্ন আৰু সুসজ্জিত ধৰণে বিষয়বস্তুৰ গ্ৰাফিক উপস্থাপন, পাঠ্যসামগ্ৰী, আলোক চিত্ৰ আদি প্ৰস্তুত কৰাটো সহজ কাম হৈ পৰিছে।

পৰিবহন আৰু যোগাযোগৰ সুবিধা বৃদ্ধিয়েও এই ক্ষেত্ৰত যথেষ্ট অৰিহণা দিছে। অৰীতিক পদ্ধতিৰে সংবাদপত্ৰসমূহ মাজনিশা 12 বজাত নাইবা ৰ বজাত ছপা কৰা হয় আৰু ৰাতিপুৱা 6 টা বা 7 টা বজাৰ সময়ত সেইবোৰ যাতে পাঠকে লাভ কৰিব পাৰে তাৰ বাবে নিশাৰ ভিতৰতে 300–400 কিলোমিটাৰ দূৰৰ ঠাইবোৰলৈ মুদ্ৰণৰ পাছতেই লৈ যোৱা হয়।

কম্পিউটাৰ আৰু ইণ্টাৰনে'টেও মাধ্যম উদ্যোগৰ বিকাশত প্ৰচুৰ সহায় কৰিছে। বৰ্তমান কালত কোনো এজন ৰিপোৰ্টাৰ বা সাংবাদিকৰ বিশ্বৰ যিকোনো ঠাইতে সংঘটিত ঘটনা আদিৰ বিষয়ে সেই ঠাইৰ পৰা তথ্য সংগ্ৰহ কৰাটো তেনেই সহজ আৰু সুবিধাজনক হৈ পৰিছে আৰু সেইবোৰ ইণ্টাৰনে'টৰ যোগে সংবাদপত্ৰৰ সম্পাদনা কক্ষলৈ প্ৰেৰণ কৰিব পৰা হৈছে। যোগাযোগ ব্যৱস্থা সুচাৰুৰূপে চলি থাকিলে সম্পাদনা বিভাগৰ লোকে পোৱা কোনো এটা বাতৰি কেই চেকেণ্ডমানৰ ভিতৰতে কম্পিউটাৰ যোগে সম্পাদনা কৰি উলিয়াব পাৰে। অৱশেষত, আটাইবোৰ বাতৰিৰ প্ৰতিবেদন আৰু আলোকচিত্ৰ আদি উপযুক্তভাৱে সম্পাদনা কৰাৰ পাছত, কম্পিউটাৰতেই বাতৰি কাকতখনৰ (আটাইবোৰ পৃষ্ঠা) মুদ্ৰন সজ্জা প্ৰস্তুত কৰি উলিয়াই কম সময়ৰ ভিতৰতে মুদ্ৰনৰ বাবে উলিয়াই দিব পাৰি।

এইখিনিতে এইটো উল্লেখনীয় যে, প্ৰাক্-স্বাধীন ভাৰতত কেইটামান ব্যতিক্ৰমৰ বাহিৰে, সাংবাদিকতাই সামগ্ৰিকভাৱে দেশপ্ৰেম আৰু বৃটিছ শাসনৰ বিৰুদ্ধে জাতীয় চেতনাৰ সৃষ্টি আৰু দেশৰ জনসাধাৰণৰ সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় সংস্কাৰৰ আধাৰত বিকাশ লাভ কৰিছিল। 1947 চনত বিদেশী শাসনৰ পৰা মুক্ত হোৱাৰ পাছতো সংবাদপত্ৰৰ জনহিতমূলক চৰিত্ৰ অক্ষুণ্ণ থাকে। কিন্তু, 1970ৰ দশক মানৰ পৰা ছপা মাধ্যমক এটা অতি লাভজনক ব্যৱসায় হিচাপে গণ্য কৰিবলৈ লোৱা হয় আৰু ব্যৱসায়িক অভিপ্ৰায় ইয়াৰ একমাত্ৰ লক্ষ্য হৈ পৰে। সেইবাবে সংবাদপত্ৰসমূহে যাতে অধিক পাঠকক আকৰ্ষণ কৰি অধিক ৰাজহ আৰু বিজ্ঞাপন লাভ কৰিব পাৰে, সেই উদ্দেশ্যে মাধ্যমসমূহে সৰ্বাধিক সংখ্যক লোকক আকৰ্ষণৰ বাবে নানা ধৰণৰ গিমিকচ্ বা চাতুৰীৰ আশ্ৰয় লোৱা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ গ

1। প্ৰথম প্ৰেচ আয়োগে সেই সময়ত কিমানখন বাতৰি কাকত থকাৰ কথা উল্লেখ কৰিছিল আৰু বাতৰি কাকতসমূহৰ প্ৰচলন সংখ্যা কিমান আছিল?

.....

.....

2। "NRS"ৰ পূৰ্ণৰূপ কি?

.....

.....

3। বৰ্তমান আমাৰ দেশত প্ৰচলিত কেইখনমান উল্লেখযোগ্য বাতৰি কাকত আৰু আলোচনীৰ নাম লিখক।

.....

.....

৩.৭ অসমৰ ক্ষেত্ৰত বিশেষ পর্যায় - ১৮৪৬ চনৰ পৰা আগলৈ

অসমৰ ক্ষেত্ৰত মনকৰিবলগীয়া আমোদজনক কথা হ'ল এয়ে যে 180 বছৰৰো অধিক কাল আগতে খৃষ্টান ধর্ম প্রচাৰৰ বাবে ৰাজ্যখনলৈ অহা বিদেশী লোকেহে অসমত এখন সংবাদ পত্র প্রকাশ কৰাৰ প্রথম সফল প্রচেষ্টা চলাইছিল। অত্যুৎসাহী আমেৰিকান বেপ্তিষ্ট মিশ্যনাৰীসকলেই শিৱসাগৰত প্রথমটো ছপাশাল স্থাপন কৰে আৰু 1846 চনত তেওঁলোকে অসমীয়া ভাষাৰ প্রথমখন বাতৰি কাকত "অৰুণোদয়ৰ"ৰ প্রকাশ আৰম্ভ কৰে। সঠিকভাৱে ক'বলৈ হ'লে "অৰুণোদয় সংবাদপত্র" নামেৰে এই সংবাদ-পত্রখনৰ প্রথমে সংখ্যাটো সেই বছৰৰ জানুৱাৰী মাহত প্রকাশ হয়। বাতৰি কাকতখনৰ প্রথম সংখ্যাটোত এই বুলি ঘোষণা হ'ল যে ই ধর্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞান বিষয়ক এখন মাহেকীয়া সংবাদ-পত্র হ'ব আৰু আগতীয়াকৈ শোধ কৰিলে ইয়াৰ বৰঙনিৰ নিৰিখ প্রতি বছৰে এটকা আৰু পিছত শোধ কৰিলে আধা অনা বেছি দিব লাগিব। ইয়াৰ প্রকাশক আছিল অলিভাৰ টি কাটাৰ। 1951 চনৰ পৰা সংবাদপত্রখনৰ নামটো চুটি কৰি "অৰুণোদয়" কৰা হয়।

এইটো স্বীকাৰ কৰিবই লাগিব যে ৰাজ্যখনত মাধ্যমৰ বিকাশত এই প্রথম অসমীয়া সংবাদপত্রখনৰ সুদূৰ প্রসাৰী প্রভাৱ ভাষাৰে বর্ণনা কৰাটো প্রায় অসম্ভৱ।

অন্যান্য কথাৰ লগতে এই সংবাদ পত্রখনে অসমীয়া মানুহৰ মানসত মাতৃভাষাৰ প্রতি সচেতনতা সৃষ্টি কৰাত সফল হ'ল আৰু তেওঁলোকে বঙালী ভাষাটোক ভাৰতৰ বৃটিছ শাসকসকলৰ ভাষা হিচাপে গণ্য কৰিবলৈ ধৰিলে।

অৰুণোদয়ৰ পাছত, হেমচন্দ্র বৰুৱাই "আচাম নিউজ" বাতৰি কাকতখন প্রকাশ কৰে। এই বাতৰি কাকতখনক আধুনিক অসমীয়া ভাষাক বর্তমানে আমি ব্যৱহাৰ কৰা ৰূপলৈ বিকাশ সাধন কৰাৰ বাবে উচ্চ প্রশংসিত হৈছে।

বিশিষ্ট জনহিতৈষী ব্যক্তিয়ে ইয়াৰ পাছত কেবাখনো বাতৰি কাকত প্রকাশ কৰে আৰু সেইবোৰে ৰাজ্যখনত মাধ্যমৰ বিকাশৰ প্রক্রিয়াটোত নিৰৱচ্ছিন্নভাৱে বৰঙণি আগবঢ়াই থাকিল। সেইবোৰ হ'ল, যেনে, আচাম মিহিৰ, গোৱালপাৰা হিত সন্ধানী, আচাম দীপক, আচাম তৰা, আচাম দীপিকা, আচাম বন্ধু, অচমীয়া, দৈনিক অচমীয়া, ডেকা অসম, দৈনিক বাতৰি, তৰুণ অসম আদি বিভিন্ন সময়ত প্রকাশ কৰা হ'ল। এইবোৰৰ ভিতৰত আচাম বিলাসিনী অতি উল্লেখযোগ্য।

তাৰ পাছত 1889 চনত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ প্রচেষ্টাত কলিকতাৰ পৰা যুগ-সৃষ্টিকাৰী জোনাকী কাকতখন প্রকাশ পায়। চন্দ্র কুমাৰ আগৰৱালা, হেম চন্দ্র গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, সীতাৰাম চৌধুৰী, মীনাধৰ হাজৰিকা আদিকে ধৰি অসমৰ কেবাগৰাকী বিশিষ্ট লেখকে ইয়াৰ সম্পাদনাৰ দায়িত্ব গ্রহণ কৰে। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ এই কাকতখনে ইমান অৱদান আগবঢ়ালে যে ইয়াৰ সাফল্যৰ প্রতি শ্রদ্ধা স্বৰূপে সমগ্র এটা যুগ জোনাকী যুগ হিচাপে পৰিচিত হ'ল।

এই কাকতখনে গভীৰভাৱে দেশপ্ৰেম আৰু সাংস্কৃতিক জাতীয়তাবোধৰ সঞ্চাৰ কৰিলে। কাকতখনৰ বহুতো মূল্যবান অৱদানৰ ভিতৰত এটা হ'ল এয়ে যে ই প্ৰকাশৰ স্বাধীনতা তথা জাতীয়তাবোধ জগাই তুলি আধুনিক অসমীয়া সাহিত্যৰ আকাশত এটা নতুন আৰু উজ্জ্বল দিগন্ত উন্মুক্ত কৰিলে।

পিছলৈ 1947 চনৰ মাৰ্চ মাহত স্বাধীনতা যোদ্ধা তথা স্বাধীন ভাৰতৰ এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী দেবেশ্বৰ শৰ্মাৰ পৰিয়ালে যোৰহাটৰ পৰা "জনমভূমি" কাকতখনৰ প্ৰকাশ আৰম্ভ কৰে। এটা শতিকাৰ এক চতুৰ্থাংশ কাল ধৰি সফলতাৰে সাপ্তাহিক হিচাপে প্ৰকাশিত হৈ থকাৰ পাছত 1972 চনৰ জুন মাহত এই কাকতখনৰে দৈনিক সংস্কৰণ এটাৰ প্ৰকাশ আৰম্ভ হয়। একাধিক সংস্কৰণ আৰু মুদ্ৰনৰ সুবিধা সহ এই কাকতখন এতিয়াও চলি আছে আৰু অসমৰ মাধ্যম জগতত ই এটা উল্লেখযোগ্য নাম হৈ পৰিছে। এই কাকত গোষ্ঠীটোৱে 1991 চনৰ পৰা "দ্যা ইষ্টাৰ্ণ ক্লেৰিয়ণ" নামৰ এখন দৈনিক ইংৰাজী বাতৰি কাকত প্ৰকাশ কৰিবলৈ লয় যদিও পিছলৈ ইয়াক বন্ধ কৰি দিয়া হয়।

অসমৰ মাধ্যম ক্ষেত্ৰত এক ডাঙৰ সাফল্যৰ স্বাক্ষৰ এৰি যোৱা আন এখন বাতৰি কাকত হ'ল দেৱকান্ত বৰুৱা, কীৰ্তিনাথ হাজৰিকা, হৰেন্দ্ৰ নাথ বৰুৱা, ৰাধিকা মোহন ভাগৱতী আদি সুখ্যাত সাংবাদিকে সম্পাদনা কৰা "নতুন অসমীয়া"। কিন্তু 1982 চনত এই কাকতখনৰ অকাল মৃত্যু ঘটিল।

1938 চনত অসমৰ সাংবাদিকতাৰ জগতৰ পুৰোধা ব্যক্তি, সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাই ডিব্ৰুগড়ৰ পৰা ৰাজ্য আৰু অঞ্চলটোৰ জনপ্ৰিয় আৰু আটাইতকৈ পুৰণি ইংৰাজী ভাষাৰ দৈনিক কাকতসমূহৰ অন্যতম, দ্যা আচাম ট্ৰিবিউন সাপ্তাহিক হিচাপে প্ৰকাশ কৰে। 1946 চনত এই কাকতখন গুৱাহাটীৰ চান্দমাৰীত থকা প্ৰতিষ্ঠানটোৰ বৰ্তমানৰ ঠাইলৈ স্থানান্তৰিত কৰা হয়। কিন্তু অঞ্চলটোৰ বাহিৰৰ ইংৰাজী বাতৰি কাকত আৰু আটাইবোৰ দেশীয় ভাষাৰ বাতৰি কাকতৰ সৈতে হোৱা তুমুল প্ৰতিযোগিতাৰ সমুখতো এই কাকতখনে এতিয়াও ইয়াৰ অগ্ৰগতি অব্যাহত ৰাখিছে। এই গোষ্ঠীটোৱে 1965 চনৰ আগষ্ট মাহৰ পৰা "দৈনিক অসম" নামৰ অসমীয়া ভাষাৰ অতি জনপ্ৰিয় দৈনিক বাতৰি কাকত এখন প্ৰচাৰ কৰিবলৈ লয়। এই গোষ্ঠীটোৰ বাতৰি কাকতকেইখনৰ এটা অতি উল্লেখযোগ্য অৱদান হ'ল এয়ে যে, সাংবাদিকতাৰ নীতি ভংগ কৰাৰ প্ৰলোভনৰ আৰু প্ৰৱণতাৰ মাজতো সেইবোৰে সৰ্বদাই ইয়াৰ মানদণ্ড অব্যাহত ৰাখিছে।

এই গোষ্ঠীটোৱে " অসম বাণী" নামৰ সফল অসমীয়া সাপ্তাহিক আৰু "গৰিয়সী" নামৰ অসমীয়া মাহেকীয়া আলোচনী এখনো প্ৰকাশ কৰে।

এইখিনিতে মন কৰিবলগীয়া গুৰুত্বপূৰ্ণ কথাটো হ'ল এয়ে যে 1980ৰ দশকৰ শেষলৈকে আৰু 1990ৰ দশকৰ আগভাগলৈ এসমত গণ মাধ্যমৰ বিকাশ বৰ বেছি দ্ৰুত নাইবা চকুত লগা বিধৰ হোৱা নাছিল। সেই সময়ত অসমত মাত্ৰ দুখন অসমীয়া ভাষাৰ দৈনিক বাতৰি কাকত, প্ৰায় সমান সংখ্যক বঙালী ভাষাৰ দৈনিক কাকত আৰু কেবাখনো সাপ্তাহিক, পখেকীয়া আৰু মাহেকীয়া কাকত প্ৰকাশ হৈছিল আৰু সেইবোৰ জনপ্ৰিয় আৰু সুপ্ৰতিষ্ঠিত আছিল। অসমত

মাধ্যমৰ দৃশ্যপটত, বিশেষকৈ স্থানীয় ভাষা আৰু ইংৰাজী দৈনিক কাকতৰ ক্ষেত্ৰত "আচাম ট্ৰিবিউন" আৰু জনমভূমি এই দুটা গোষ্ঠীয়ে প্ৰাধান্য লাভ কৰি আছিল।

1983 চনত অসমত নতুনকৈ আৰু দ্বিতীয়খন ইংৰাজী দৈনিক বাতৰিকাকতৰ প্ৰকাশ আৰম্ভ হোৱাত, ৰাজ্যৰ সাংবাদিকতাৰ ক্ষেত্ৰত এটা নতুন যুগৰ সূচনা হয়। সেইখন কাকত হ'ল ধীৰেণ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা দৈনিক বাতৰি কাকত "চেণ্টিনেল"। এই গোষ্ঠীটোৱে "আজিৰ অসম" নামৰ এখন অসমীয়া ভাষাৰ দৈনিক বাতৰি কাকতৰো প্ৰকাশ আৰম্ভ কৰে আৰু এই কাকতখন এতিয়াও চলি আছে।

কেইবছৰমান পাছত, 1989 চনত গুৱাহাটীৰ জি এল পাব্লিকেশ্যন নামৰ প্ৰতিষ্ঠানটোৱে "আমাৰ অসম" অসমীয়া ভাষাৰ দৈনিক বাতৰি কাকতখন প্ৰকাশ কৰে। এই গোষ্ঠীটোৱে "নৰ্থ ইষ্ট টাইমচ্" নামৰ এখন ইংৰাজী দৈনিক বাতৰি কাকতে প্ৰচাৰ কৰিবলৈ লয় যদিও পাছত ইয়াক বন্ধ কৰি দিয়া হয়।

ইতিমধ্যে, অসমত কেবাখনো অসমীয়া দৈনিক বাতৰি কাকত আৰু অন্যান্য সাময়িকীৰ জন্ম হয়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল "আজিৰ বাতৰি", "দ্যা নৰ্থ ইষ্ট অৱজাৰভাৰ" (দুয়োখন একেটা প্ৰকাশন গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত আৰু সম্প্ৰতি বন্ধ হোৱা), "প্ৰতিদিন", "অগ্ৰদূত", "দৈনিক জনসাধাৰণ", "দৈনিক আজিৰ বাতৰি", "আজি", ইত্যাদি। প্ৰতিদিন গোষ্ঠীয়ে নৰ্থ ইষ্ট ডেইলি নামৰ এখন দৈনিক ইংৰাজী বাতৰি কাকতো প্ৰকাশ কৰিবলৈ লয় যদিও, কেইবছৰমান পাছত ইয়াক বন্ধ কৰা হয়।

1978 চনৰ পৰা "অগ্ৰদূত" কাকতখনে প্ৰথমে মঙ্গলদৈ আৰু পিছলৈ গুৱাহাটীৰ পৰা সাপ্তাহিক হিচাপে প্ৰকাশ হৈ আহিছে। ইয়াৰ এক দশকমান পাছত "দৈনিক অগ্ৰদূত" প্ৰকাশ কৰা হয়।

এই পৰ্যন্ত আমি দেনিক বাতৰি কাকত আৰু অন্যান্য সাময়িক পত্ৰিকাৰ বিষয়েহে আলোচনা কৰিছোঁ। অসমৰ মাধ্যম জগতত কেবাখনো উচ্চ মানৰ আলোচনীৰো জন্ম হৈছে আৰু সেইবোৰে জনসাধাৰণক যথেষ্ট মনোগ্ৰাহী বিষয় সম্ভাৰেৰে মনোৰঞ্জন কৰাৰ লগতে তথ্যৰ যোগান ধৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইখনমান আলোচনী হ'ল - আবাহন, জোনাকী, ৰামধেনু, প্ৰাসঙ্গিক, সাম্প্ৰতিক সাময়িকী, প্ৰকাশ, গৰিয়সী, প্ৰান্তিক, সাতসৰী আদি। এই আলোচনীবোৰে পটুৰৈক গধু�ৰ সাহিত্যিক বিষয়বস্তু আগবঢ়াই আহিছে। এইবোৰৰ উপৰি লঘূ মনোৰঞ্জনৰ কেবাখনো আলোচনীও বৰ্তমানে ভালদৰে চলি আছে।

ওপৰৰ তালিকাত উল্লেখ কৰা প্ৰথম তিনিখন আলোচনীয়ে অসমীয়া সাহিত্য, সংস্কৃতি আৰু জনজীৱনৰ অন্যান্য দিশত মূল্যবান অৰিহণা দিছে। এই আলোচনীকেইখনৰ প্ৰকাশৰ সময়ছোৱাক জাতিটোৰ সাহিত্যৰ ক্ষেত্ৰত একো একোটা যুগান্তকাৰী সময় হিচাপে বহুদিন ধৰি গণ্য আৰু গ্ৰহণ কৰি লোৱা হৈছে। সেইবোৰক আবাহন যুগ, জোনাকী যুগ আৰু ৰামধেনু হিচাপে অভিহিত কৰা হৈছে। সুখ্যাত সাংবাদিক আৰু সাহিত্যিক, চন্দ্ৰ প্ৰসাদ শইকীয়াই কৈছিল যে, সমাজৰ তিনিটা বিশেষ যুগক আলোচনীৰ নামেৰে নামকৰণ কৰাটো পৃথিৱীৰ যিকোনো ঠাইতে

অতি বিৰল দৃষ্টান্ত আৰু এই ক্ষেত্ৰত আলোচনী কেইখনে অমূল্য অৱদানৰ প্ৰতিফলন ঘটাইছে।

আনহাতে বৈদ্যুতিক মাধ্যমৰ ক্ষেত্ৰতো ৰাজ্যখনে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ৰাজ্যখনৰ বিভিন্ন ঠাইত বৰ্তমানে এফ এম আৰু এ. এম পদ্ধতিৰ অল ইণ্ডিয়া ৰেডিঅ'ৰ 10 টা কেন্দ্ৰ আছে। তাৰোপৰি, জনসাধাৰণক সম্পূৰ্ণৰূপে মনোৰঞ্জনৰ কাৰ্যসূচী আগবঢ়াই থকা চাৰিটা ব্যক্তিগত এফ এম কেন্দ্ৰ বৰ্তমানে ৰাজ্যখনত চলি আছে। দূৰদৰ্শনৰ নেটৱৰ্কো বৰ্তমানে যথেষ্ট সম্প্ৰসাৰিত হৈছে। গুৱাহাটীত তিনিটা সু-প্ৰতিষ্ঠিত টেলিভিশ্যন চেনেল স্থাপন হোৱাটোও এই দিশত এটা উল্লেখযোগ্য ঘটনা। এন ই টিভি নামৰ চেনেলটোৱে বাতৰি আৰু মনোৰঞ্জনৰ মিশ্ৰিত কাৰ্যসূচী আৰু "নিউজ লাইভ" আৰু "ডি ওৱাই -365" নামৰ চেনেল দুটাই সম্পূৰ্ণৰূপে সংবাদভিত্তিক কাৰ্যসূচী প্ৰচাৰ কৰে। সেইবোৰৰ কাৰ্যসূচীয়ে যথেষ্ট সংখ্যক দৰ্শকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

গতিকে, আমি দেখিবলৈ পাও যে অসমৰ গণ মাধ্যমৰ দৃশ্যপট উজ্জীৱিত হৈ পৰিছে আৰু যোৱা এটামান দশকত ই আশানুযায়ী শ্ৰীবৃদ্ধি লাভ কৰিছে। ই আমাৰ বাবে এটা শুভ লক্ষণ কাৰণ, এনে হোৱাটোৱে শ্ৰোতা-দৰ্শক-পাঠকৰ সমুখত পচন্দ-অপচন্দৰ বিকল্প উন্মুক্ত কৰাৰ লগতে ভৱিষ্যতে সাংবাদিকতাৰ প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিমূলক নিয়োগৰ নতুন পথ মুকলি কৰি দিব।



অগ্ৰগতি নিৰীক্ষণ ঘ

1। অসমত ছপা মাধ্যমৰ উৎপত্তিৰ চমু বুৰঞ্জী লিখক।

.....

.....

.....

.....

2। জোনাকী বাতৰি কাকতখন কেতিয়া প্ৰকাশ হৈছিল?

.....

.....

3। প্ৰথম অসমীয়া সাপ্তাহিক কাকতখনৰ নাম লিখক।

.....

.....

4। অসমত এতিয়ালৈকে প্ৰকাশ হৈ থকা আটাইতকৈ পুৰণি আৰু জনপ্ৰিয় ইংৰাজী দৈনিক বাতৰি কাকত কোনখন?

.....

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত জন আগষ্টাচ হিকি নামৰ এগৰাকী বৃটিছ লোকে ছপা মাধ্যমৰ যুগৰ সূচনা কৰে আৰু হিকি'জ বেংগল গেজেট নাইবা কেলকাটা জেনেৰেল এডভাৰটাইজাৰ নামৰ তেওঁৰ বাতৰি কাকতখন 1780 চনৰ জানুৱাৰী মাহত কলকাতাৰ পৰা প্ৰথম প্ৰকাশ হয়।
- এই কাকতখনৰ জীৱনকাল অতি চুটি আছিল যদিও ই পৰৱৰ্তী দুই শতিকাৰো অধিক কাল জুৰি দেশত অতি সফল আৰু স্পন্দনশীল মাধ্যম উদ্যোগৰ এটা যুগৰ সূচনা কৰে।
- নানান আহুকাল, বৃটিছ চৰকাৰৰ দমনমূলক আইন, আদিৰ মাজেৰে পাৰ হৈ আহি আমাৰ ছপা মাধ্যমে অতিশয় কৃতকাৰ্যতাৰে বিদেশী শাসনৰ বিৰুদ্ধে থিয় হোৱাৰ উপৰি, সমাজত আৰ্থ-সামাজিক সংস্কাৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি ৰাষ্ট্ৰীয় চেতনা জগাই তুলি জনসাধাৰণৰ স্বাৰ্থৰ হকে সেৱা আগবঢ়ালে। সেইবাবে আমি দেখিবলৈ পাওঁ যে স্বাধীনতা সংগ্ৰাম সফল হোৱাত মাধ্যমৰ অৱদান অতি মূল্যবান আছিল বুলি সকলোৱে একমুখে স্বীকাৰ কৰিছে।
- 1947 চনৰ পাছত, বিশেষকৈ 1970ৰ দশকৰ পৰা আমাৰ দেশৰ মাধ্যমে আশ্চৰ্যজনকভাৱে শ্ৰীবৃদ্ধি লাভ কৰিছে আৰু বৰ্তমানে ই বিশ্বৰ যিকোনো দেশৰ মাধ্যম উদ্যোগৰ সৈতে প্ৰতিযোগিতাৰ বাবে সমৰ্থবান হৈ বিশ্বৰ আটাইতকৈ গতিশীল গণ মাধ্যমলৈ ৰূপান্তৰিত হৈছে।



৩.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1. Mass Communication in India - Keval J Kumar (Jaico)
2. India - 2005(series) - Publications Division, GOI
3. The Indian Media Business - Vanita Kohili (Sage)
4. Press at the Crossroads in India - S.K. Agarwal (UDH Publications, Delhi)
5. Glimpses of World History, Discovery of India - Jawaharlal Nehru.
6. Broadcasting in India - G.C. Awasthy (Allied Books)
7. Indian Broadcasting - LR Luthra (Publication Division)
8. Indian Press Since 1955 - Publications Division
9. History of Indian Press - Publications Division.
10. A Short History of Assamese Newspapers - Prafulla Chandra Bora.
11. Mass Communication in India, A Sociological Perspective - J.V.

Vilanibm, Sage Publications

12। Indian Press Since 1955 - S.C. Bhatt, Publications Division, Ministry of Information & Broadcasting, New Delhi

13। 150 yeras of Journalism in Assam - Edited by Dr. Govinda Prasad Sarma, Media Trust, Assam, Rupnagar, Guwahati.

অসমীয়া গ্ৰন্থ

1। অসমীয়া বাতৰি কাকতৰ ডেৰশ বছৰীয়া ইতিহাস - Media Trast, Guwahati.

৩.১০ অগ্ৰগতিৰ খতিয়ান

অগ্ৰগতি নিৰীক্ষণ ক

1। 1780 চনৰ জানুৱাৰী মাহত জন আগষ্টাচ হিকিয়ে প্ৰকাশ কৰা Hicky's Bengal Gazette of the Calcutta General Advertiser নামৰ প্ৰথম বাতৰিকাকতখনৰ পৰা আৰম্ভ কৰি ভাৰতত ছপা মাধ্যমৰ 200 বছৰৰো অধিক কাল জোৰা এখন ইতিহাস আছে। এইখন কাকত তথা প্ৰাথমিক বছৰ কেইটাত প্ৰকাশ হোৱা ইংৰাজী ভাষাৰ আন আন বাতৰি কাকতত প্ৰকাশিত বা-বাতৰিসমূহ প্ৰধানতঃ ভাৰতত থকা ইউৰোপীয় নাগৰিকসকলৰ সামাজিক কাম-কাজৰ মাজতে সীমাবদ্ধ আছিল। কিছু কালৰ পিছত সেইবোৰে সমাজৰ অধিক সংখ্যক লোক জড়িত থকা প্ৰকৃত বা-বাতৰি প্ৰকাশ কৰিবলৈ লয়। ভাৰতীয় প্ৰকাশকে প্ৰকাশ কৰা ইংৰাজী ভাষাৰ বাতৰিকাকতবোৰ পশ্চিমীয়া সংস্কৃতিৰ আধুনিক আদৰ্শ আৰু ৰীতি-নীতিৰ শিক্ষা লাভ কৰি নতুনকৈ সৃষ্টি হোৱা এক শ্ৰেণী ভাৰতীয় লোকক লক্ষ্য কৰি প্ৰকাশ কৰা হৈছিল।

2। ইউৰোপীয় মূলৰ লোক আৰু আধুনিক শিক্ষা প্ৰাপ্ত একাংশ ভাৰতীয় লোক।

3। ধৰ্মীয় বাণী আৰু অনুভূতি।

অগ্ৰগতি নিৰীক্ষণ খ

1। ভাৰতীয় জনমত,

2। হৰিজন, সত্যাগ্ৰহ, নৱজীৱন আৰু ইয়ং ইণ্ডিয়া।

অগ্ৰগতি নিৰীক্ষণ গ

1। প্ৰথম প্ৰেচ আয়োগৰ প্ৰতিবেদন অনুসৰি দেশত 300 খন দৈনিক বাতৰি কাকত প্ৰকাশ কৰা হৈছিল আৰু একেলগে সেইবোৰৰ সৰ্বমুঠ প্ৰচলন সংখ্যা আছিল 25 লাখ কপি।

2। ৰাষ্ট্ৰীয় পাঠক জৰীপ।

3। The Times of Indian, The Telegraph, India Today, Frontline, The Week.

অগ্রগতি নিৰীক্ষণ ঘ

১। ভাৰতৰ আন ভালেমান ৰাজ্যৰ দৰে অসমতো বিদেশীসকলে প্রথমখন বাতৰি কাকত প্রকাশ কৰে। 1846 চনত আমেৰিকান বেপ্তিষ্ট মিশ্যনেৰীসকলে শিৱসাগৰত ছপাশাল এটা স্থাপন কৰে আৰু অৰুণোদয় নামেৰে প্রথমখন অসমীয়া ভাষাৰ বাতৰি কাকত প্রকাশ কৰিবলৈ লয়। এই বাতৰি কাকতখন কেবা বছৰো বর্তি থাকে যদিও, বর্তি থকা বছৰৰ সংখ্যাৰ দিশৰপৰা ইয়াৰ সাফল্যৰ মূল্যায়ন কৰিব নোৱাৰি। জাতিটোৰ সংস্কৃতিলৈ আগবঢ়োৱা প্রভূত অৱদান আৰু সুদূৰ প্রসাৰী ইতিবাচক তাৎপর্যপূর্ণ এটা আন্দোলনৰ আগ�ৰণুৱা হিচাপে কাকতখনৰ মূল্যাংকন কৰিব লাগিব। এই প্রচেষ্টাৰ পাছতেই, স্বাধীনতাৰ আগৰ আৰু পিছৰ কালছোৱাত অসমৰ মাধ্যম উদ্যোগ ঠন ধৰি উঠে আৰু বর্তমানে আমাৰ ৰাজ্যৰ মাধ্যমৰ দৃশ্যপটটোক সকলো দিশৰ পৰা দেশৰ মাধ্যম পৰিস্থিতিৰ সৈতে ৰিজাব পাৰি।

২। 1989

৩। জনমভূমি

৪। দ্যা আচাম ট্রিবিউন।

৩.১১ সম্ভাব্য প্রশ্ন

১। 1900 চনলৈ ভাৰতৰ ছপা মাধ্যমৰ প্রাথমিক সময়ছোৱাৰ চমু বুৰঞ্জী লিখক।

২। 1900 চনৰ পৰা 1950 চনলৈ ভাৰতৰ ছপা মাধ্যমৰ বিকাশ বর্ণনা কৰক। এই সময়ছোৱাত মাধ্যমসমূহৰ বৈশিষ্ট্য কি আছিল?

৩। স্বাধীনতাৰ সময়ৰে পৰা এতিয়ালৈ দেশৰ মাধ্যম দৃশ্যপটৰ বিষয়ে চমুকৈ বর্ণনা কৰক। এই সময়ছোৱাত আপুনি কি উল্লেখযোগ্য গতিধাৰা বা ঘটনা দেখিবলৈ পাইছে?

:::